**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ ছানন্দত মাইক্ৰ'ন চেমিকণ্ডাক্টৰ টেকন'ল'জি ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ চেমিকণ্ডাক্টৰ এছেম্বলিং, পৰীক্ষণ আৰু পেকেজিং প্ৰকল্প মুকলি কৰে।

২। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৱে আজি ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ বিৰুদ্ধে **অপাৰেচন লায়নছ্ ৰোয়াৰ** শীৰ্ষক যুটীয়া সামৰিক অভিযান চলায় বুলি অৱগত কৰিছে।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে ইৰানত যুটীয়া আক্ৰমণ চলাই পশ্চিম এছিয়াত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে।

৪। আন ৰিজাৰ্ভ টিকটিং ছিষ্টেম ম'বাইল এপ কাইলৈৰ পৰা বন্ধ কৰা হ'ব বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

*আৰু*

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তান আৰু শ্ৰীলংকা মুখামুখি হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাট ভ্ৰমণৰ সময়ত ছানন্দত মাইক্ৰ'ন চেমিকণ্ডাক্টৰ টেকন'ল'জি ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ চেমিকণ্ডাক্টৰ এছেম্বলিং, পৰীক্ষণ আৰু পেকেজিং প্ৰকল্প মুকলি কৰে। ভাৰতৰ অৰ্ধপৰিবাহী উৎপাদনৰ যাত্ৰাত এই প্ৰকল্প উদ্বোধন এটা উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। ছানন্দৰ এই প্ৰকল্পটোৰ পৰা চেমিকণ্ডাক্টৰৰ ব্যৱসায়িক উৎপাদন কৰা হ'ব আৰু ভাৰতত নিৰ্মাণ কৰা প্ৰথমটো চেমিকণ্ডাক্টৰৰ মেম'ৰি মডিউল হিচাপে বিবেচিত হৈছে। গোলকীয় পৰ্যায়ৰ চেমিকণ্ডাক্টৰ শৃংখলাত এই প্ৰকল্পটোৱে ভাৰতৰ স্থিতি সৱল কৰিব। অনুষ্ঠানত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰধাব সন্মিলন ভাৰতত আয়োজন কৰাটোৱে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থক প্ৰতিফলিত কৰে।

শ্ৰী মোদীয়ে কয়, যে পূৰ্বৰ শতিকাতো তেলে নিয়ন্ত্ৰণ কৰাৰ বিপৰীতে চলিত শতিকাত মাইক্ৰ'চিপে নিয়ন্ত্ৰণ কৰিব। শ্ৰী মোদীয়ে প্ৰযুক্তিৰ নেতৃত্বৰ ক্ষেত্ৰত ভাৰতৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰি আজিৰ দিনটো ঐতিহাসিক বুলি অভিহিত কৰে। গোলকীয় মূল্য শৃংখলা আৰু হাৰ্ডৱেৰৰ ক্ষেত্ত ছফ্‌টৱেৰে বিশেষ ভূমিকা পালন কৰে। মানৱতাৰ বাবে গোলকীয় যোগান শৃংখলাত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই দ্বিপাক্ষিক সহযোগিতাক আজিৰ অনুষ্ঠানে বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা আৰু গুৰত্বপূৰ্ণ ছিপছ্ খণ্ডক প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে চেমিকণ্ডাক্টৰৰ বাণিজ্যিক উৎপাদনে বিশ্বৰ বাবে ভাৰত সাজু, ভাৰতৰ বিশ্বাসযোগ্যতা আৰু ভাৰতৰ সামৰ্থৰ বাৰ্তা প্ৰেৰণ কৰে। চেমিকণ্ডাক্টৰ দ্বিতীয় সংস্কৰণৰ অধীনত ১০টা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অনুমোদন জনোৱা হৈছে। আজিৰ

অনুষ্ঠানত প্ৰধানমন্ত্ৰী মাইক্ৰ'নৰ নেতৃত্বক প্ৰশংসা কৰে। দেশৰ যুৱ প্ৰজন্মৰ বাবে এই দশকটো বিশেষ দশক হিচাপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি।

অনুষ্ঠানত ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে চেমিকণ্ডাক্টৰ উদ্যোগ ভাৰতত প্ৰাথমিক পৰ্যায়ত আছে যদিও গোলকীয় মানচিত্ৰত ই ভাৰতক এটা স্থিতি প্ৰদান কৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত ভাৰতত ইলেকট্ৰনিক্সৰ উৎপাদন ছগুন বৃদ্ধি হৈছে আৰু এই সামগ্ৰীৰ ৰপ্তানি আঠগুণ বৃদ্ধি পাইছে। তেওঁ কয়, যে দেশৰ পৰা ৰপ্তানি হোৱা আন আন সামগ্ৰীৰ লগতে নতুন ম'বাইল ফোনৰ ৰপ্তানিয়ে শীৰ্ষ স্থান অধিকাৰ কৰিছে।

০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৱে আজি নিশ্চিত কৰি কয়, যে ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ বিৰুদ্ধে **অপাৰেচন লায়নছ্ ৰোয়াৰ** শীৰ্ষক যুটীয়া সামৰিক অভিযান চলায়। ইৰানৰ শাসকিয় পক্ষই সৃষ্টি কৰা ভাবুকিৰ পৰিপ্ৰেক্ষিতত এই আক্ৰমণ আৱশ্যকীয় আছিল বুলি তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰক সম্বোধন কৰি দিয়া ভিডিঅ' বাৰ্তা যোগে নেটান্যাহুৱে কয়, যে তেহৰানৰ পৰা উদ্ভৱ হোৱা পৰিস্থিতি প্ৰতিহত কৰাৰ বাবে এই আক্ৰমণ চলোৱা হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক তেওঁক সমৰ্থন জনোৱাৰ বাবে ধন্যবাদ জনায়। ইজৰাইলৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰি কয়, যে ইৰাণৰ নেতৃবৰ্গই দশকজুৰি অশান্তি আৰু হিংসাত্মক কাৰ্য চলাই আহিছিল। তেওঁ লগতে কয়, যে ইৰানৰ ভিতৰত ৰাজনৈতিক পৰিৱৰ্তন কৰাৰ স্বাৰ্থত এই যুটীয়া সামৰিক অভিযান চলোৱা হয়।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে ইৰানত যুটীয়া আক্ৰমণ চলাই পশ্চিম এছিয়াত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে সামাজিক মাধ্যমত ভিডিঅ' বাৰ্তাৰ জৰিয়তে নিশ্চিত কৰে যে, ৱাশ্বিংটনে ইৰানত সামৰিক অভিযান আৰম্ভ কৰিছে। তেওঁ কয়, যে বৰ্তমান ইৰানৰ শাসন ব্যৱস্থাই আমেৰিকা আৰু ইয়াৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ ফলস্বৰূপে আমেৰিকাই এই অভিযান আৰম্ভ কৰিছে। ইৰানৰ শাসন ব্যৱস্থাই কঢ়িয়াই অনা ভাবুকি দূৰ কৰি আমেৰিকাৰ জনসাধাৰণক নিৰাপত্তা দিয়াই এই অভিযানৰ উদ্দেশ্য বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, যে ইৰানৰ কেতবোৰ কাৰ্যকলাপে আমেৰিকা, আমেৰিকাৰ প্ৰতিৰক্ষা বাহিনী আৰু সমগ্ৰ বিশ্বৰ কিছুসংখ্যক দেশক বিপদৰ সন্মুখীন কৰাইছে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাট্জে কয়, যে ইৰানক আক্ৰমণ কৰা হৈছে আৰু গোটেই দেশতে জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। ইৰানৰ ৰাজধানী তেহৰানৰ কাষৰীয়া অঞ্চলত বিস্ফোৰণ সংঘটিত হৈছে। প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা অনুসৰি তেহৰানৰ ডাউনটাউনত বিস্ফোৰণ সংঘটিত হৈছে আৰু আকাশ ক'লা ধোঁৱাই চানি ধৰিছে। ইৰানৰ সৰ্বোচ্চ নেতা আয়াতোল্লাহ আলী খামেনেইৰ কাৰ্যালয়ৰ সমীপত ইজৰাইলে আক্ৰমণ চলায়। এই আক্ৰমণৰ পাছতেই ইৰানে নিজৰ আকাশমাৰ্গ বন্ধ কৰি দিছে আৰু ম'বাইল ফোন সেৱা ব্যাহত হৈছে। ইৰানৰ ৰাজধানীত বিস্ফোৰণ সংঘটিত হোৱাৰ পাছতেই পাইলটসকলক সতৰ্কবাণী জাৰি কৰা হৈছে।

০০০০

ইৰানত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে আক্ৰমণ চলাই থকাৰ মাজতে ভালেমান বিমান পৰিবহণ কোম্পানী এয়াৰ ফ্ৰান্স, এয়াৰ ইণ্ডিয়া, ব্ৰিটিছ এয়াৰৱেজ, ইণ্ডিগ', জাপান এয়াৰ লাইনছ, লুফথানছা, কাটাৰ এয়াৰৱেজ আদিয়ে অঞ্চলটোলৈ বিমানৰ চলাচল বাতিল কৰিছে।

০০০০

আমেৰিকা আৰু ইজৰাইলে যুটীয়াভাৱে ইৰানত আক্ৰমণ চলোৱাৰ ফলত পশ্চিম এছিয়াত সৃষ্টি হোৱা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এয়াৰ ইণ্ডিয়াই সেই স্থানলৈ সকলো বিমান বাতিল কৰিছে। এয়াৰ ইণ্ডিয়াই বিমান চলাচলৰ বাবে সুৰক্ষা আৰু নিৰাপত্তাৰ সকলো দিশ মূল্যায়ন কৰি প্ৰয়োজন অনুসাৰে সক্ৰিয়ভাৱে কাৰ্যসম্পন্ন কৰিব বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে, লগতে যাত্ৰীসকলক প্ৰয়োজনীয় সকলো সহায় আগবঢ়াব বুলি প্ৰকাশ কৰিছে। যাত্ৰীসকলক এয়াৰ ইণ্ডিয়াৰ ৱেবচাইটত বিমানৰ পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে। অধিক তথ্যৰ বাবে যাত্ৰীসকলে ১১৬৯-৩২৯৩৩৩ আৰু ১১৬৯-৩২৯৯৯৯ নম্বৰত যোগাযোগ কৰিব পাৰিব।

ইণ্ডিগ'ৱেও আজি মাজনিশালৈকে সেই স্থানলৈ সকলো বিমান বাতিল কৰিছে। ইণ্ডিগ'ৱে কয়, যে পৰিস্থিতিৰ ওপৰত নিৰীক্ষণ কৰি থকা হৈছে। বিমান সংস্থাটোৱে যাত্ৰীসকলক বিকল্প ভ্ৰমণৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনাইছে।

০০০০

আন ৰিজাৰ্ভ টিকটিং ছিষ্টেম, ইউ টি এছ ম'বাইল এপ কাইলৈৰ পৰা বন্ধ কৰা হ'ব বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে জনায় যে, ৰে'ল ৱান এপত এই সেৱা উপলব্ধ থাকিব। এই এপলৈ আৰ-ৱালেট বেলেন্স স্বয়ংক্ৰিয়ভাৱে হস্তান্তৰ হ'ব। যাত্ৰীসকলক ইউ টি এছ ম'বাইল এপৰ সৈতে সংযুক্ত ম'বাইল নম্বৰ ৰে'ল ৱান এপত পঞ্জীয়ন কৰিবলৈ মন্ত্ৰালয়ে আহ্বান জনাইছে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নতুন দিল্লীত ভাৰত ইউৰোপীয় সংঘৰ সম্বন্ধৰ প্ৰথম পৰামৰ্শ সমিতিৰ বৈঠক ২০২৬ত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে বৈঠকত ভাৰত আৰু ইউৰোপীয় সংঘৰ দ্বিপাক্ষিক সম্বন্ধ সুদৃঢ় কৰাৰ বিশেষকৈ বাণিজ্য, প্ৰযুক্তি, সুৰক্ষা আৰু আহ-যাহৰ সন্দৰ্ভত আলোচনা কৰা হয়। তেওঁ ইয়াত অংশগ্ৰহণ কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

০০০০

জনসাধাৰণক আত্মনিৰ্ভৰশীল আৰু সবল কৰি তোলাৰ একমাত্ৰ উপায় হৈছে গুণগত শিক্ষা প্ৰদান কৰা। কেৰালাৰ চাংগনাচ্চেৰীৰ ছেইণ্ট বিৰ্ছমানছ মহাবিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে পূৰ্বে অন্য ঠাইৰ প্ৰযুক্তিৰ ওপৰত ভাৰত বহু পৰিমাণে নিৰ্ভৰশীল আছিল। কিন্তু বৰ্তমান ভাৰতে নিজাকৈ প্ৰযুক্তি উদ্ভাৱনৰ জৰিয়তে আগবাঢ়িছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

০০০০

অন্ধ্ৰপ্ৰদেশৰ কাকিনাডা জিলাৰ ভেটলাপালেম গাঁৱত আজি এটা ফটকা প্ৰস্তুত কৰা কাৰখানাত সংঘটিত বিস্ফোৰণত বহু সংখ্যক শ্ৰমিক আহত হোৱাৰ লগতে কেইবাগৰাকীও নিহত হয়। বিস্ফোৰণ সংঘটিত হোৱাৰ সময়ত প্ৰায় ২০ গৰাকী ব্যক্তি কাৰখানাটোত উপস্থিত আছিল। বিস্ফোৰণৰ প্ৰকৃত কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা

নাই। বিভাগীয় কৰ্তৃপক্ষই উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। আহতসকলক হাস্পতালত ভৰ্তি কৰোৱা হৈছে বুলি আমাৰ সংবাদদাতাই জনিবলৈ দিছে। অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে বিভাগীয় কৰ্তপৃক্ষৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰি ভুক্তভোগী পৰিয়ালক সকলো প্ৰকাৰে সহায় সহযোহিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে।

০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ছুপাৰ এইট পৰ্যায়ৰ এখন গুৰুত্বপূৰ্ণ খেলত পাকিস্তান আৰু শ্ৰীলংকা মুখামুখি হৈছে। খেলখনত টছত জিকি শ্ৰীলংকাই প্ৰথমে ফিল্ডিঙৰ সিদ্ধান্ত লয়। আমাৰ এই বাতৰি যুগুটোৱাৰ পৰলৈকে পাকিস্তানে ২ অভাৰত ১৬ ৰান সংগ্ৰহ কৰিছে।

ভাৰত কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ  হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ